


# পূব কামৰূপ কলেজত
# বসন্তৰ ধেমালি

দশম সংখ্যা, ২০২৪


প্ৰকাশক

পূব কামৰূপ মহাবিদ্যালয়

বাইহাটা চাৰিআলি, কামৰূপ

**PUB KAMRUP KOLEJOT BOXANTAOR DHEMALI** : A Pocket Magazine in Assamese edited by Asik Ali (Editor), published by Pub Kamrup College and printed at College Press, Pub Kamrup College, Baihata Chariali, PIN- 781381

# পূব কামৰূপ কলেজত
## বসন্তৰ ধেমালি

দশম সংখ্যা, ২০২৪

*সম্পাদনাৰ আঁৰত —*

| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | ড° ভূপেন কুমাৰ শৰ্মা |
| উপদেষ্টা | ঃ | নাৰায়ণ গোস্বামী |
| | ঃ | ড° নিৰ্মল ৰঞ্জন মজুমদাৰ |
| | ঃ | ড° ধীৰেণ বড়ো |
| সম্পাদক | ঃ | আছিক আলী |
| সম্পাদনা সহযোগী | ঃ | তৃষ্ণামণি দাস |
| | ঃ | জেনী ডেকা |



OFFICE OF THE PRINCIPAL
**PUB-KAMRUP COLLEGE**
P.O.- BAIHATA CHARIALI
DIST.- KAMRUP (ASSAM), PIN- 781381 Phone : 03621-286300

নতুনৰ আগজাননী লৈ সন্মুখত ব'হাগ।

ব'হাগে প্ৰকৃতিত সঞ্চাৰ কৰা ৰূপান্তৰৰ প্ৰবাহটোৱে মানুহকো আলোড়িত কৰি থৈ যায়। এই আলোড়নে মানুহক সৃষ্টিশীল ক্ষেত্ৰত ব্ৰতী হ'বলৈও হাত উজান দিয়ে। 'পূব কামৰূপ কলেজত বসন্তৰ ধেমালি' ব'হাগৰ এই ৰূপান্তৰৰ ধাৰণাটোৰে ফচল। নটা বছৰ সফলভাৱে অতিক্ৰম কৰা এই ক্ষুদ্ৰ আলোচনীখনৰ সাহিত্য যাত্ৰা অব্যাহত থাকক।

ব'হাগী ওলগ সকলোকে জনালোঁ—

—ড° ভূপেন কুমাৰ শৰ্মা
অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়

## সম্পাদকীয়

পূব কামৰূপ কলেজত বসন্তৰ ধেমালিয়ে নটা বছৰ সফলভাৱে অতিক্ৰম কৰাৰ পিনে দৃষ্টিপাত কৰিলে দুটা দিশ স্পষ্টভাৱে আমাৰ আগত ধৰা দিয়ে— (১) দূৰদৰ্শী চিন্তা (২) বৌদ্ধিক পৰিৱেশৰ প্ৰতি সচেতন সঁহাৰি। "এক স্বভাৱজাত আৰু বয়স উপযোগী সৃষ্টিৰ তাড়নাই" প্ৰথম সংখ্যাৰ পৰাই বৰ্তমানলৈ বহুতো ছাত্ৰ-ছাত্ৰীক লিখিবলৈ উৎসাহ আৰু প্ৰেৰণা যোগাই আহিছে। একে সময়তে এই কথাটো স্বীকাৰ কৰিব লাগিব যে আলোচনীখনে বিভিন্ন ধৰণে সৃষ্টিশীল সম্পৰীক্ষণৰ পথো বহুতৰ বাবে মোকলাই দিছিল। গতিকে ক'ব পাৰি যে ক্ষুদ্ৰ আলোচনীখনে এটা সুন্দৰ অতীত আমাৰ আগত সদায় দাঙি ধৰিবলৈ প্ৰস্তুত। কিন্তু সম্প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ ক্ৰমাৎ স্তিমিত হোৱাৰ পিনে অগ্ৰসৰ হৈছে। দহ বছৰ আগতে যিটো তৰুণ উৎসাহৰ ভেঁটিত এই আলোচনীখনে পূব কামৰূপ মহাবিদ্যালয়ত এক নতুন বৌদ্ধিক বাতাবৰণক আদৰণি জনাইছিল, সেই "স্বভাৱজাত আৰু বয়স উপযোগী সৃষ্টিৰ তাড়না" বৰ্তমান পূৰ্বৰ ৰূপত বৰ্তি আছে বুলি ক'ব নোৱাৰি। এইক্ষেত্ৰত কোনবোৰ কাৰকে ইন্ধন যোগাইছে তাৰ নিবহ-নিপানী বিশ্লেষণ কৰি পূৰ্বৰ পৰিৱেশ আমি কেনেকৈ আকৌ ঘূৰাই আনিব পাৰোঁ সেয়া বিবেচনা কৰাটো বৰ্তমান সময়ত অতিকৈ জৰুৰী।

বসন্তৰ কথা নো আৰু কি ক'ম! প্ৰকৃতিৰ মাজত চলি থকা অবিৰাম দ্বন্দ্বৰ মাজত শৰৎ, বসন্তইতো মোকলাই দিয়ে এটা সুকুমাৰ পথ য'ত শুনা যায় নতুনৰ চৰণধ্বনি।

শেষত আলোচনীখনৰ লগত জড়িত আটাইকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদক



ৰক্তিমা দত্তৰ

## বসন্ত ব্যথা

সমস্ত শক্তিৰে
ধৰি ৰাখিম এই ব'হাগ
হাতৰ মুঠিত
পুৰণিৰ উকমুকনি

খিলি লগাই থোৱা দৰ্জা
খিৰিকি নোহোৱা কোঠা
তৎস্বত্ত্বেও
বুকুত ঢোলৰ গুমগুমনি

বিগত বছৰৰ বুকুৰ বতৰা
এইবেলি নো কোনে শুনিব
প্ৰচলিত প্ৰবাদ
বিচলিত বতাহ
ধুমুহাত ভাগি পৰিল
ঘৰৰ পিছৰ জেতুকা
পদূলিৰ কপৌফুল যোৱাবাৰেই মৰহা
বিগত বছৰৰ বুকুৰ বতৰা
ব'হাগেই যতনাই থ'ব
চাবা

নিৰ্মল ৰঞ্জন মজুমদাৰৰ

# বিহু বিষয়ক প্ৰথমখন কিতাপ

অসমীয়াৰ জাতীয় উৎসৱৰ মান পোৱা বিহু অসমীয়াৰ বাপতি সাহোন। অসমৰ জনজীৱনত এৰাব নোৱৰাকৈ বান্ধ খাই থকা তিনিটি বিহুৱে প্ৰকৃতিভিত্তিক, কৃষিকেন্দ্ৰিক। এই তিনিওটা বিহুৰেই নিজস্ব বৈশিষ্ট্য আছে। অসমীয়া কেলেণ্ডাৰৰ নৱবৰ্ষৰ আৰম্ভণিৰ মাহ ব'হাগত পালিত ৰঙালী বিহুৰ মাদকতাই সুকীয়া। ৰঙালী বিহু অসমীয়াৰ মনত ৰং লগোৱা এটি বসন্তকালীন উৎসৱ। ব'হাগ বিহু বুলিলে সুৱীয়া শাৰী কেইটিমানেও মনতে দোলা দিয়ে ঃ

কুঁহিপাতে সেউজীয়া আঁকে<br>
বনফুলে বৰণ ঢাকে<br>
ব'হাগ আহে লাহে লাহে<br>
গছৰ ডালে ফুলৰ পাহে<br>
প্ৰকৃতিয়ে ধৰণী সজায়





কুসুমে কানন ভৰায়<br>
কুসুমাকৰ কালে<br>
ব'হাগ আহে লাহে লাহে।

অসমীয়াৰ আমঠুসদৃশ এই বিহুটিয়েও একালত বহু প্ৰতিঘাতৰ সন্মুখীন হ'বলগীয়া হৈছিল আৰু বহু বাধা-বন্ধন নেওচি সময়ৰ সোঁতত বিহু অসমৰ জাতীয় উৎসৱত পৰিণত হ'ল, ইয়াকে জাতীয় উৎসৱ বুলি সকলোৱে মানি ল'লে। এই লেখাটোত বিহু বিষয়ক এখন আপুৰুগীয়া কিতাপৰ পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰিছোঁ।

'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ' শীৰ্ষক এখন কিতাপ প্ৰকাশ পাইছিল ১৯১৮ চনত, অৰ্থাৎ আজিৰ পৰা এশ পাঁচ বছৰৰ পূৰ্বেই। শতবৰ্ষ গৰকা বিহু বিষয়ক এই কিতাপখনৰ ৰচক হৈছে শিৱসাগৰৰ শিক্ষক গণেশচন্দ্ৰ হাজৰিকা। তাহানিৰ কলিকতা চহৰত মুদ্ৰিত এই মৌলিক কিতাপখন চাগৈ বিহু বিষয়ক প্ৰথমখন ছপা কিতাপ। এই কিতাপখনৰ বিষয়ে প্ৰফুল্লদত্ত গোস্বামীয়ে 'অসমীয়া জন-সাহিত্য' (১৯৪৮ চন) নামৰ কিতাপখনত এইদৰে উল্লেখ কৰিছে, " গণেশচন্দ্ৰ হাজৰিকাই ১৯১৮ চনত "বিহু আৰু তাৰ


প্ৰাকৃতিক চিত্ৰ' নামেৰে কিতাপ এখন ৰচনা কৰিছিল। বিহুৰ বিষয়ে কিতাপ লিখা নিশ্চয় ই সেই কালৰ এটি উল্লেখযোগ্য ঘটনা।" অৱশ্যে ইয়াৰ পূৰ্বে ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' (১৮৯৫ চন) উপন্যাসত বিহু সম্পৰ্কে উল্লেখ পোৱা যায়। একেদৰে বেণুধৰ ৰাজখোৱাই 'বিহু' (১৯১৪ চন) নামেৰে এখন পুস্তিকাও লিখি উলিওৱা বুলি জনা যায়। ছপা প্ৰবন্ধৰ কিতাপ বুলিলে স্বাভাৱিকতে হয় অনা দামৰ 'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ'ৰ কথাই আজিও আলোচনা কৰা হয়। আলোচিত কিতাপখনৰ আৰম্ভণিতেই 'বিহুৰ বঁটা আৰু ওলগ' শীৰ্ষক 'বাঁহী'ত প্ৰকাশিত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ এটা লেখা পুনঃপ্ৰকাশ কৰা হৈছে। সৰ্বমুঠ ৪১ পৃষ্ঠাৰ কিতাপখনত আছে মুঠ নটা চমু অধ্যায়। কিতাপখনৰ সপ্তম অধ্যায়ত সন্নিৱিষ্ট কৰা 'ৰঙালি বিহুৰ আদৰণি' শীৰ্ষক গীতটি শিৱসাগৰৰ বিহু সন্মিলনত গোৱাৰ বাবে পদ্মধৰ চলিহাই ৰচনা কৰা। উল্লেখ্য যে এই কিতাপখনো তেখেতৰ নামতেই লেখকে উৎসৰ্গা কৰিছে। যি হওক, অসমৰ জাতীয় জীৱনৰ ভিন্ন দিশৰ লগত সাঙোৰ খাই থকা এনেধৰণৰ আপুৰুগীয়া কিতাপসমূহ বিচাৰ-খোচাৰ কৰি পুনৰ ছপাৰ দিহা কৰাৰ বাবে অসমৰ জাতীয় অনুষ্ঠানসমূহে সক্ৰিয় ভূমিকা লোৱা উচিত। মাত্ৰ ৪১ পৃষ্ঠাৰ এই মূল্যবান কিতাপখনৰ পুনঃপ্ৰকাশৰ চিন্তা পূব কামৰূপ মহাবিদ্যালয়েও কৰিব পাৰে নিশ্চয়।





মণ্টু শইকীয়াৰ

## সৰু সূতাৰ চেলেঙত বুটা বছা কথা



চ'তৰ ৰাতি বিহুকে ধৰি ব'হাগৰ ছদিনলৈকে ব'হাগ বিহু সাতদিনীয়া। এই সাদিনীয়া ব'হাগ বিহুৰ কথা পিছে "কৈনো কৈ থাকিলে ওৰকে নপৰে"। ৰাতি বিহুৰ যৌৱনে উতলা কৰি তোলা জাত জাত যোৰা নামকে ধৰি খেতি-খোলাৰ মূল সম্বল গৰুৰ গা ধুওৱা, সৃষ্টিৰ প্ৰতীক কণীযুঁজ, তাহানিৰ মাৰি-মৰকৰ যুগত ছয় পো-ছয় নাতিৰে পৰিপূৰ্ণ ভৰুণ ঘৰ একোখনিৰ আশাৰে অগণন ফলদায়ক আঁহত-বৰগছৰ তলীৰ বিহু হুঁচৰি আৰু পৰিয়ালৰ কুশল কামনাৰে নাহৰ পাতত "দেৱ দেৱ মহাদেৱ..." মন্ত্ৰ লিখি দুৱাৰ মুখত গুজি ৰখালৈ ব'হাগ বিহুৰ কিমান যে কথা! কৈ ওৰ পেলোৱা যায় নো কেনেকৈ!

"গৰু ছালে মাত লগোৱা"ৰ বতৰত অসমীয়া ডেকা-গাভৰুৰ আকলুৱা প্ৰেম বিনিময়ৰ বিনন্দীয়া প্ৰকাশে উতলা কৰি ৰাখে ব'হাগৰ আকাশ-বতাহ। ডেকাই গাভৰুৰ মনৰ বতৰা লয় ঃ

নৈলৈ হালিলে ন-ডালি ভলুকা

বিললৈ হালিলে কাক'।

বুকুৰে কামিহাঁড় হ'ল ডালি ডালি
কাঁলৈ চিন্তা কৰি থাক।।

বিহুবলীয়া ডেকা-গাভৰুৰ বাবে বিহু নামেই মনৰ বতৰা বিনিময়ৰ বাবে ব্যৱহাৰ কৰিব পৰা আটাইতকৈ নিৰ্ভৰযোগ্য মাধ্যম। কিয়নো ঃ

প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে
তাৰ পাছত সৰজিলে নাম।

সেই এফাঁকি নামেৰে গাভৰুৱে জনাইছে মন গহনৰ গোপন বতৰা ঃ

ছালত মলভিলে ছালে দৈ কোমোৰা
টেকেলিত মলভিল লোণ
বিহুৰ তলীতে গা মলভিলে
তুমি মনে দিয়া সোণ।।

বিহুলৈ আহোতে চেনেহীয়ে ৰিহাৰ আঁচলত থুৰীয়া তামোলখনি লুকুৱাই আনি টিপতে চেনাইক দিয়েহি। বৈ থাকে পিৰিতিৰ কুলুকুলু নিজৰা। ক্ৰমে সহ্যাতীত হৈ পৰে মিলন কামনা ঃ





উজাই নাৱৰীয়া অ' ডালিম-ডিমৰু
বালিভাতে খালে ডালিম-ডিমৰু
গছকি পুতিলে টোঁ
আমাৰ যৌৱন কি কৰোঁ ডালিম-ডিমৰু
ভাবোঁতে অ' তৰণি
চিন্তোতে অ' তৰণি নাই।

পীৰিতিৰ সৰু সূতাৰে আটি আটি বন্ধা এনে সম্পৰ্কৰ মৃত্যু নাই। পৃথিবী উৰ্বৰা আৰু সজল হৈ কৃষি কাৰ্যৰ বাবে সাজু হৈ উঠাৰ সময়ত, কুঁহিপাতে নতুনৰ বতৰা কঢ়িয়াই অনাৰ শুভলগনত আৰু বাসন্তী পুষ্প সুশোভিত আৰু সুঘ্ৰাণে চৌপাশ মতলীয়া কৰি তোলা ক্ষণত ডেকা-গাভৰুৰ মিলনৰ অমল বাসনাই অসমীয়া জাতীয় জীৱনলৈ ব'হাগেই খুলি দিয়ে সৃষ্টি আৰু প্ৰাচুৰ্যৰ সিংহদুৱাৰ। বিহু নাচৰ মুদ্ৰা, ঢোলৰ চাপৰ আৰু সৰু সূতাৰ দীঘ আৰু বাণীৰে বোৱা চেলেঙত একোপাহি বুটা বছা ফুল হৈ জিলিকি আছে অসমীয়াৰ উৰ্বৰা সংস্কৃতি শোভন বক্ষত।

ড° নয়নমণি বৰুৱাৰ

## মূল্য ঃ জীৱন

আজি প্ৰায় দহ বছৰ ধৰি তেওঁ এই কামটোকে কৰিছে। কেতিয়াও হাত নকঁপাকৈ। আজি হাতলৈ অহা বুজন ওজনৰ মাছটো তেওঁ পানীত এৰি দিলে। ক'লে, "যা গৈ যা।"

সদ্যজাত সন্তানটিৰ মুখখনলৈ তেওঁৰ মনত পৰিল; পাব পৰা দামলৈ মনত নপৰিল।

## মূল্য ঃ আকাশ

প্ৰকাণ্ড স্কাইক্ৰেপাৰটোৱে তেওঁৰ বেলকনিৰ আকাশকণো আঁজুৰি নিলে। পুতেকক তেওঁ কোনো পধ্যে সৈমান কৰিব নোৱাৰিলে। প্ৰয়াত দেউতাকে কোৱা এযাৰ কথা আজি তেওঁৰ বৰকৈ মনত পৰিল— "মোৰ চোতালৰ আকাশখন তই কাঢ়ি নিছ। সকলোৱে মূল্য মানুহে দেৰীকৈ বুজে।"

পৈত্ৰিক ঘৰটোৰ দামহে তেতিয়া তেওঁ দেখিছিল।







অজিৎ কলিতাৰ

## খনিকৰ



মই  
প্ৰত্যাৱৰ্ত্তন নকৰোঁ  
নাৰীৰ ওচৰলৈ  
কুৰি শতিকাৰ মেলামুখেদি  
নগ্ন সভ্যতাৰ  
আফ্ৰিকীয় অন্ধকাৰলৈ।

মই  
প্ৰত্যাৱৰ্তন নকৰোঁ  
নাৰীৰ ওচৰলৈ  
জোনবাইৰ সভ্যতাৰ দাগ চাবলৈ  
ৰাজসভাত শীলা হোৱা  
শতিকাৰ গৌৰৱ 'দ্ৰোপদী'  
খনিকৰৰ সৃষ্টি চাবলৈ।

মই  
প্ৰত্যাৱৰ্তন কৰিম  
মাথোঁ এবাৰ  
এবাৰ চুই চাবলৈ  
শতিকাৰ অহল্যাৰ নিথৰ দেহ  
খনিকৰৰ পৰশত  
শিলা হোৱা  
তাইৰ বিধ্বস্ত সপোনৰ  
হৃদয়শালাত উম দিবলৈ।


ড° দীপক কোঁৱৰৰ

## ৰঙালী ৰঙালীয়েই হৈ ৰওক

পৰিপক্কৰ অভাৱত
অকালপক্কৰ ভিৰৰ মাজতো
ৰঙালী ৰঙালী হৈয়ে ৰওক।

চিকমিকনিতে ভুল গৈ
মৰীচিকা খেদি ফুৰা
এচামৰ বাবে
ৰঙালীৰ মাদকতা
ম্লান পৰিবলৈ নিদিয়াকৈ
ৰঙালী ৰঙালী হৈয়ে ৰওক।

উৰ্বৰা মাটি
অনুৰ্বৰা হোৱাৰ দুখ
চন পৰি ৰোৱা মাটিৰ
সেউজ হোৱাৰ আশা
অপূৰ্ণ হৈ ৰোৱাৰ দুখ



দুখৰ মাজতো
এপিয়লা সুখ হৈ
ৰঙালী ৰাঙলী হৈয়ে ৰওক।





ড° বৰ্ণালী ডেকাৰ

## ঢোলত চাপৰ মাৰি

সংগীতক সুমধুৰ কৰিবলৈ বিভিন্ন বাদ্যযন্ত্ৰৰ আৱশ্যক হয়। ঢোল তেনে এবিধ লোকবাদ্য। লোক গীত আৰু লোকবাদ্য মনোমোহা হৈ উঠে এনেধৰণৰ কিছুমান বাদ্যযন্ত্ৰৰ সহযোগতহে। ঢোল প্ৰকৃততে চৰ্ম আবৃত বাদ্যযন্ত্ৰ। ভাৰত সংগীত শাস্ত্ৰত এইশ্ৰেণীৰ বাদ্যবোৰক ‘আনবদ্ধ’ বুলি কোৱা হয়। প্ৰাচীন কালৰে পৰা অসমৰ লোক জীৱনতো ঢোলৰ প্ৰচলন থকা বুলি জানিব পাৰি। বিভিন্ন শিলালিপি, ভাস্কৰ্য, পুথি আদিৰ পৰা এই সম্পৰ্কত তথ্য লাভ কৰিব পাৰি। ঢোল অসমৰ লোকবাদ্য। অসমৰ জাতীয় জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এই বাদ্যবিধে অসমৰ লোক সংস্কৃতিৰ এখন গুৰুত্বপূৰ্ণ আসন দখল কৰি আছে। বিশেষকৈ বিহু উৎসৱৰ সময়ত ঢোল অবিহনে বিহুৱা ডেকাই এখোজো দিব নোৱাৰে। আনকি নাচনীয়ে ঢোলৰ চাপৰ শুনি কমোৱা তুলাৰ দৰে উৰি যোৱা মনটোক ৰখাব নোৱাৰি বিহু মাৰিবলৈ ঢপলিয়াই আছে।

“... ফুলপানী ছিগাতে ঢোলৰ মাত শুনিলোঁ
গছকত ভাগি যাওঁ যতৰ।”

আকৌ "ঢোলৰ চাপৰ মাৰি ঢুলীয়া ওলালে
বহি বৈ আছিলোঁ তাত
টোপোলাৰে সেন্দূৰ টোপোলাতে থাকিল
খাবলৈ নেপালোঁ ভাত।"

এনেদৰে বিহুগীত আৰম্ভ কৰে। অনুষ্ঠান ভেদে ঢোল পৰিৱেশনৰ প্ৰকাৰ আৰু ভিন্নতা মন কৰিবলগীয়া। ইয়াৰ প্ৰকাৰ হ'ল— জয়ঢোল, বৰঢোল, ঢেপাঢোল, বিহুৰ ঢোল আদি।

আনহাতে অসমত বাস কৰি অহা বিভিন্ন জনগোষ্ঠীৰ মাজতো লোক উৎসৱত ঢোলৰ প্ৰয়োগ লক্ষণীয়। বড়োসকলে খাম, মিচিংসকলে দুমদুম, তিৱাসকলে খ্ৰাম, ৰাভাসকলে হেমা বা খাম, কাৰ্বিসকলে চেং, চাহ জনগোষ্ঠীয়ে মাদল স্বকীয় বৈশিষ্ট্যৰে লোক উৎসৱত ব্যৱহাৰ কৰে। দেওধনী নৃত্যৰ সময়ত জয়ঢোল, ধাৰ্মিক অনুষ্ঠানত মঙ্গলদৈত ঢেপাঢোল; উৎসৱ আদিত বৰঢোলৰ প্ৰচলন অসমৰ ঠাইভেদে প্ৰচলিত কিন্তু বিহুঢোলৰ কথাই সুকীয়া।

ৰঙালী বিহুৰ সময়ত হুঁচৰি, বিহুগীত, বিহুনৃত্যৰ লগত ঢোল অপৰিহাৰ্য। এই ঢোলৰ মুঠ এঘাৰটি অংগ থাকে। সেইবোৰ হ'ল— (ক) খোলা, (খ) টালি, (গ) কোবনি, (ঘ) মলুৱা বা বান্ধনি, (ঙ) পাতনি ছাল, (চ) পুলি, (ছ) ফৰিং, (জ) কানাই, (ঝ) বৰটি, (ঞ) ডোল বা জৰী, (ট) মাৰি।





ঢোল তৈয়াৰ কৰাৰ প্ৰতিটো স্তৰ সম্পৰ্কত বিহুগীতত উল্লেখ আছে—

চামগুৰি হাটতে ঢোলে গিৰেগিৰায়
ঢোলৰে কি কি নাও
এটা আমৰে এটা চামৰে
বাঁহৰ মাৰি সাজি বাওঁ।



ঢোলৰ বাবে প্ৰয়োজনীয় কাঠৰ ফোপোলা অংশক খোলা বুলি কোৱা হয়। চাম, গমাৰি, কঁঠাল আদি আঁহ থকা গছৰ কাঠৰ পৰা ঢোল তৈয়াৰ কৰাটো উত্তম বুলি ভবা হয়। ঢোলৰ খোলটোৰ বাওফালৰ মূৰ সোঁফালৰ মূৰতকৈ অলপ বেছি। গঠনৰ ফালৰ পৰা আকৌ ঢোল চাৰি প্ৰকাৰৰ— (ক) কুবলা নবীয়া, (খ) পাৰ উঠা, (গ) সমান্তৰাল, (ঘ) তালি ডাঙৰ। খোলাখন শুৱনি কৰিবলৈ আৰু ঘূণে নধৰিবলৈ হেঙুল হাইতালেৰে বোলোৱা হয়। আনহাতে গৰুৰ ছালেৰে ঢোল এটা চোৱাবলৈ উত্তম বুলি মানি লোৱা হয়। ঢোলৰ সোঁফালে মাৰিৰে কোবোৱা অংশটিক কোবনি বুলি কোৱা হয়। ইয়াক তৈয়াৰ কৰোতেও গৰুৰ ছাল ব্যৱহাৰ কৰা হয়। হাতেৰে চাপৰ মৰা অংশটিৰ নাম টালি। ছাগলী বা চেউৰী গৰুৰ চালেৰে ইয়াক তৈয়াৰ কৰা হয়। বৰতিবোৰ গৰুৰ টিকাৰ অংশৰ ছালৰ পৰা তৈয়াৰ কৰা হয়।

পুৰণি কালৰে পৰা অসমত এই ঢোলবাদ্যৰ বৰ আদৰ দেখা যায়। আহোম শাসনৰ কালৰ পৰাই ঢোলৰ ব্যাপক প্ৰচলন হ'বলৈ ধৰে। বৰ্তমানেও ঢোলবাদ্যই অসমৰ জাতীয় জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে।

লিজা তালুকদাৰৰ

## এই মাটি, এই ছাঁ

উমানতে তোমালৈ চাই থাকোঁ
নিশাৰ ঘড়ী কাঁটাৰ ঘূৰ্ণনত
নিজৰ ছাঁটোকো নেদেখো

ৰাতি ৰাতি ভাবি থাকোঁ
পোহৰৰ এটা দীঘল দৃশ্য
(তুমিও এনেকৈয়ে ভাবানে?)

আৰু এদিন পুৰণি চাইকেলখনেৰে
বোকাৰ বাট এটা কাটি বুদ্ধ আহে।
এন্ধাৰৰ ফুলবোৰ চিঙি
গুচি যায় একেটা বাটেৰে।

নৈ অহাদি বৈ আহে
এছাটি আভা
ক্ৰমে দীঘলীয়া হৈ গৈ থাকে
এন্ধাৰত নিজৰ ছাঁ

এই দুৰ্ভাবনাৰ দিনবোৰত
মৃত সূৰ্যটোক শুৱাই
আমিও জ্বলোঁ মাটিৰ চাকি এটি হৈ
উমি উমি






কল্পনা ভাগৱতীৰ

## ব'হাগেই বতৰটি আনে

বৰষুণৰ পাছত নকৈ পাত ওলাই সেউজীয়া হৈ পৰা প্ৰকৃতিৰ বিনন্দীয়া ৰূপ চাই, নয়ন সাৰ্থক কৰিবলৈ আৰু খালী ভৰিৰে দুবৰি গছকি মাটিৰ লগত সম্বন্ধ স্থাপন কৰিবলৈ ব'হাগেই বতৰটি আনে।



সমীৰণ শৰ্মাৰ

## বসন্তকালীন উৎসৱ বৈছাগু

বড়ো জনজাতিসকলে পালন কৰা এটা প্ৰধান বসন্তকালীন উৎসৱ হৈছে বৈছাগু নতুন এক বছৰক আদৰণি জনোৱাৰ লগতে বছৰটোত পথাৰত সুন্দৰকৈ শস্য উৎপাদন কৰাৰ অৰ্থে এই উৎসৱটো পালন কৰে। চ'তৰ সংক্ৰান্তিৰ পৰা সাতদিন ধৰি বৈছাগু উৎসৱ পালন কৰা হয়। বড়োসকলে গৰুক কৃষি কাৰ্যৰ প্ৰথম দেৱতা হিচাপে মানি আহিছে। বিহুৰ দিনা তেওঁলোকে গৰুৰ শিং তথা খুৰাত তেল সনাৰ লগতে নৈ-বিল, পুখুৰী আদিলৈ নি গৰুক ধুৱাই লগতে দীঘলতি, মাখিয়তীৰে গৰুক বিভিন্ন নিয়ম কৰি লাউ-বেঙেনা খুৱাই, নতুন পঘা দি সন্ধিয়া গোহালিত যাগ দিয়া অসমীয়াসকলে গোৱা " লাউ খা, বেঙেনা খা..."-ৰ দৰে " লাও জা ফাণ্ঠাও জা..." বড়োসকলেও গাই একে মতকে প্ৰকাশ কৰে। বৈছাগুৰ দ্বিতীয় দিনা অৰ্থাৎ মানুহ বিহুৰ দিনা ব্ৰহ্মপুৰাতে তেওঁলোকে চিফুঙত সুৰ তুলি নৱবৰ্ষক আদৰণি জনায়। তেওঁলোকৰ মাজত প্ৰচলিত লোকবিশ্বাস অনুযায়ী এই সুৰে মানুহৰ শত্ৰু সাপৰ কণীবোৰ ঘোলা কৰি পেলায়। সেইদিনা গুৰু তথা জ্যেষ্ঠজনক তেওঁলোকে সেৱা-সংকাৰ কৰাটো এক পৰম্পৰা।

এইদৰেই বড়োসকলে বসন্তকালীন উৎসৱ বৈছাগু উলহ-মালহেৰে পালন কৰি আগন্তুক সময়খিনি কৃষিকাৰ্য্যত ব্যস্ত হৈ পৰে।





অনিমা বেগমৰ

## বসন্তৰ সুবাস

শুনিছোঁ পদুলিয়ে পদুলিয়ে
বসন্তৰ সৃষ্টিৰ মৃদু গুঞ্জন।

লঠঙা হোৱা প্ৰতিজোপা গছ যেন
সেউজ ৰঙৰ ন কইনাৰে অপৰূপ।



নতুন কুঁহিপাত
কুলি-কেতেকীৰ সুমধুৰ মাতত
জিলিকিছে প্ৰকৃতি ন ৰূপেৰে,
কেউদিশে সেউজ আবিৰেৰে ওপচিছে
বসন্তৰ পৰশ।

এয়াই বসন্তৰ ব'হাগ
পদুলিত কপৌফুল পাহ
ঢোলৰ চাপৰ
গাভৰু দেহৰ নাচ।

আব্দুল মজিদৰ

## বিলৈ

"এইটো কি কোৱাচোন মাজনী?"

"এইটো মেকুৰী।"

"হাঁ হাঁ হাঁ, এইটো মেকুৰী নহয়, কেত হয়।"

সাগৰিকাৰ এনে কথা শুনি অসমীয়া মাধ্যমৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰী ৰিম্পী আৰু তাইৰ মাকে সাগৰিকাৰ ফালে চাই মিচিকিয়াই হাঁহিলে।

"আমাৰ এই অসমীয়া ইমান নাজানে। ইহঁতৰ ইংৰাজী মাধ্যম যে।"— সাগৰিকাৰ মাকে গৌৰৱেৰে উত্তৰ দিলে।





বৰষা ডেকাৰ

## বসন্ত আছে একেদৰেই



হাজাৰটা শীতকাল দেখিলোঁ,
কঠিন, শুকান, কঠোৰ, নিষ্ঠুৰ।
গছৰ শুকান ছালৰ, লঠঙা ডালৰ চকুলোও দেখিলোঁ,
পদপথৰ আবাসীৰ কম্পনৰ
থক-থক শব্দৰ করুণ সুৰো শুনিলোঁ।

কিন্তু বসন্ত সদায়ে আছে,
হয়তো, সকলোবোৰ গছ সজীৱ হৈ নুঠে বসন্তত,
নতুন আবাসী আছে পদপথলৈ,
কিন্তু বসন্ত আছে, একেদৰেই।

## ভাস্বতী শৰ্মাৰ

# ফাগুনৰ পৰা বসন্তলৈ


(১)
বসন্তলৈ বৈ বৈ শুকান চাদৰখন উখহি পৰিছিল।
ধূলিয়ে ঢাকি পেলাইছিল।
ক্ৰমশঃ বসন্তলৈ সাঁচি ৰখা ৰঙা ফুলবোৰো সৰিব ধৰিছিল।
তথাপি বৈ আছিল।
এদিন সৰি সৰি নিশ্চিহ্ন হৈ গ'ল ফাগুন
ধূলিবোৰো গুচি ৰবযুণজাকৰ সৈতে।
হেৰাই গ'ল বসন্তলৈ সাঁচি ৰখা ফুলবোৰ।
তথাপি নাহিল বসন্ত।







(২)
ৰবযুণজাকে চুই যোৱা প্ৰতিটো ডাল
পুনৰ সেউজীয়া হৈ পৰিল।
সৃষ্টি হ'ল এক নতুন নাৰী।
সেউজীয়া চাদৰখন গাত মেৰিয়াই
খোপাত পিন্ধি ল'লে কপৌফুল।
হাতত আঁকিলে জেতুকাৰ বোল।
এইবাৰ আহিল বসন্ত।
ঢোল পেঁপা গগনাৰে আয়োজন চলিল এক
উদযাপনৰ।
এই উদযাপন বসন্তৰ প্ৰেমৰ
এই উদযাপন ব'হাগৰ।



(৩)
বসন্তই নুশুনে
ফাগুনে গোৱা বিষাদৰ গীতটো।
বসন্তই নেদেখে
লঠঙা ডালৰ পৰা সৰি পৰা চকুলো।
বসন্তই কাহানিও নুবুজে
কিমান আকুলতাৰে ফাগুনে
ৰঙাবোৰ সাঁচি ৰাখে বসন্তৰ বাবে।
বসন্ত আহে কেৱল ব'হাগ নামৰ নতুন নাৰীৰ বাবে।







তৃষ্ণামণি দাসৰ

## বিহু

চ'তৰ ত্ৰিশদিন, মাকৰ বিয়াতেই অনা চন্দুকটোৰ পৰা পুৰণি বিহাখন উলিয়াওতে লগৰবোৰে খমখমীয়া জাপেই নভঙা বিহাবোৰলৈ ঠিকেই মনত পৰে তাইৰ। জীয়েকৰ চিঙি যোৱা ফিটাৰ হাৰাই চেণ্ডেলযোৰলৈ মন কৰি মানুহজনে এইবাৰো বজাৰতেই এৰি আহিল ৰঙালীত পিন্ধিম বুলি ভাবি থকা নতুন চোলাৰ গোন্ধ। বিহুৱান নিজে নল'লেও হ'ব আৰু বুলি তাঁত শালৰ আটাইকেইখন গামোচা বিক্ৰী কৰি পোৱা পইচাৰে আলহী আহিলে বহিবলৈ দিয়াৰ উদ্দেশ্যৰে চকী চাৰিখন আনোতে অলপো কিন্তু মনত বিহু নালাগিল বৌটিৰ।



ঈপ্সিতা উপাসনাৰ

## বেজোখ পছোৱা



ভাল পোৱা বা নোপোৱা
গোলাপী মোৰ প্ৰিয় নিচা,
হাঁহি উৰুওৱা
নতুন মাটি নচুওৱা
মই মোতেই বলীয়া

গভীৰ মৰমৰ বিনিময়ত
লোতকৰ নিমখীয়া চটিয়ালা
তুমিতো নাজানা বন্ধু
কি যে আন্ধাৰত গজিল ধতুৰা
বহিল শিলা নীলা বতৰা
চৌপাশে দিন বিদিশ
শিব সনাতন আৰু গন্ধৰ্ব সঁফুৰা





নিয়ৰ প্ৰভাত কলিতা

## পুৰণি বহাগ

আমি সৰু থাকোঁতে দেউতাই আমাক কেৱল চিলোৱা কাপোৰ পিন্ধাইছিল। তেওঁৰ প্ৰিয় টেইলৰিং দোকান আছিল 'চিভিল এণ্ড মিলিটেৰী টেইলৰিং হাউচ'। আমাৰ ঘৰৰ পৰা 'চিভিল'লৈ যোৱা বাটত আৰু ছখন দৰ্জীৰ দোকান আছিল য'ত মানুহৰ ভিৰ কম, তথাপি দেউতাই 'চিভিল'তেই কাপোৰ চিলাইছিল। মই ডাঙৰ হোৱাৰ পাছতো বছৰেকত এযোৰকৈ কাপোৰ ইয়াতেই চিলাইছিলোঁ, আমাৰ এওঁহে নিজৰ কাপোৰ নিজেই চিলাইছিল। মোৰ ল'ৰাটোৰ স্কুলৰ ইউনিফৰ্মবোৰো ইয়াতেই সী নিয়া আছিলোঁ। ডাঙৰ হৈ পিছে সি চিলোৱা কাপোৰ নিপিন্ধা হ'ল, ৰেডিমেড লগা হ'ল। যন্ত্ৰৰ যুগত হাতৰ চিলাই ছেলফ্-চেণ্টাৰড্ দুনিয়াত আন্তৰিকতাৰ মাত কাৰ নো ভাল লাগে! মদ খাই খাই লিভাৰৰ অসুখ হৈ যেতিয়া সি ঢুকাল আৰু নাতি ল'ৰাটোৰ ভাৰ মোৰ কান্ধত পৰিল, মই তাকো বিহুৰ কাপোৰ "চিভিল"তেই চিলাই নি দিছিলোঁ। পিছে এতিয়া সিয়ো ৰেডিমেড পিন্ধি ভাল পোৱা হ'ল। মোৰ চকুৰ আগতে সি পুৰা ৰঙা, সন্ধিয়া নীলা গোলাপ লৈ বাইকত ঘূৰি ফুৰা হ'ল। মই নিমাতে চাই থাকিলোঁ। মই চাই থাকিলোঁ ১৯২৭ চনৰ পুৰণি কাঠৰ দৰ্জাৰ দোকান ঘৰটো কেনেকৈ ভাঙি পেলোৱা হ'ল আৰু "চিভিল"খন কাষৰ নৱনিৰ্মিত অত্যাধুনিক অট্টালিকা এটাত নি স্থাপন কৰা হ'ল।